
পাঠ-3

# কালি আৰু পৰিসীমা

6Q79PL

**কোনখন মেজ (Table) বেছি ডাঙৰ?**



(ক)



(খ)

ওপৰৰ মেজ দুখনলৈ লক্ষ্য কৰা। মেজ দুখনৰ ওপৰত থকা কিতাপৰ সংখ্যা গণনা কৰি চোৱা। কোনখন মেজে বেছি ঠাই আগুৰি আছে?

**কাৰ কিমান কালি?**


⇨ 'ক' মেজৰ কালি → ☐ খন গণিতৰ কিতাপৰ কালিৰ সমান হ'ব।

⇨ 'খ' মেজৰ কালি → ☐ খন গণিতৰ কিতাপৰ কালিৰ সমান হ'ব।

⇨ ডাঙৰ মেজখন হ'ল → ☐


**কোনটো বেছি ডাঙৰ**

কোনটো চিত্ৰই বেছি ঠাই আগুৰি আছে ক'ব পাৰিবানে? চিত্ৰ দুটাই আগুৰি থকা অঞ্চলটো জুখিবলৈ তুমি এখিলা সৰু বৰ্গ কাগজ ব্যৱহাৰ কৰা।






চিত্ৰত দেখুওৱা আয়ত দুটা তলৰ বৰ্গ কাগজত বহুওৱা




এই বৰ্গাকাৰ টুকুৰাটোৰ ☐ কালি 1 বৰ্গ একক।

**এইবাৰ মন কৰা**

⇨ প্ৰথম চিত্ৰটোৱে বৰ্গকাগজখনত কেইটা ঘৰ আগুৰি আছে?


⇨ দ্বিতীয় চিত্ৰটোৱে বৰ্গ কাগজখনত কেইটা ঘৰ আগুৰি আছে?


⇨ দুয়োটা চিত্ৰই সমান সংখ্যক বৰ্গ আগুৰি আছেনে?

এতিয়া কি বুজি পালা? দুয়োটা চিত্ৰৰ কালি বা ক্ষেত্ৰফল সমান নহ'বনে?

**মন কৰিবা ঃ** যিটো চিত্ৰই বৰ্গ কাগজখনৰ বেছি বৰ্গ আগুৰি থাকিব সেই চিত্ৰটোৰ কালি বেছি।

**ক্ষেত্ৰফল তুলনা কৰো আঁহা**








এটা ক্ষুদ্ৰ বৰ্গ আৰু প্ৰতিটো বাহুৰ দীঘ 1 চে মি। ইয়াৰ কালি 1 বৰ্গ চে মি বুলি ধৰা হয়।

- চিত্ৰ A য়ে 24 টা বৰ্গ ঘৰ আগুৰি আছে।
- চিত্ৰ B য়ে ______টা বৰ্গ ঘৰ আগুৰি আছে।
- চিত্ৰ C য়ে ______টা বৰ্গ ঘৰ আগুৰি আছে।
- কোনটো চিত্ৰই বৰ্গ কাগজৰ বেছি বৰ্গ ঘৰ আগুৰি আছে? চিত্ৰ ______।
- কোনটো চিত্ৰৰ কালি বেছি? চিত্ৰ ______।
- চিত্ৰ A তকৈ চিত্ৰ B ৰ কালি কিমান বৰ্গঘৰ বেছি? ______।
- প্ৰতিটো ক্ষুদ্ৰ বৰ্গঘৰৰ কালি 1 বৰ্গ চে মি হ'লে চিত্ৰ A ৰ কালি 24 বৰ্গ চেমি নহয় নে?
- চিত্ৰ B ৰ কালি কিমান হ'ব? ______ বৰ্গ চে মি।
- চিত্ৰ C ৰ কালি কিমান হ'ব? ______ বৰ্গ চে মি।

**আয়তটোৰ কালি উলিয়াও আহা**

কাষৰ আয়তটোৰ কালি চিত্ৰত দেখুওৱা ধৰণে 15 বৰ্গ চে মি কিয়নো আয়তটোৱে 15টা সৰু সৰু বৰ্গ আগুৰি আছে। আৰু এটা সৰু বৰ্গৰ কালি 1 বৰ্গ চে মি। সেয়ে আয়তটোৰ কালি 15 বৰ্গ চে মি। এইবাৰ মন কৰা আয়তটোৰ দীঘ 5 চে মি। আৰু প্ৰস্থ 3 চে মি। (কিয়নো প্ৰতিটো সৰু বৰ্গৰ দীঘ 1 চে মি আৰু প্ৰস্থ 1 চে মি)। সেয়ে আয়তটোৰ দীঘ আৰু প্ৰস্থ পূৰণ কৰি ইয়াৰ কালি সহজেই উলিয়াব পাৰি। নহয়নে বাৰু? চোৱাচোন।





আয়তটোৰ কালি = 5 × 3 বৰ্গ চে মি = 15 বৰ্গ চে মি।

সেয়ে আমি পালো, **আয়তৰ ক্ষেত্ৰফল বা কালি = আয়তটোৰ দীঘ × আয়তটোৰ প্ৰস্থ**

**বৰ্গৰ ক্ষেত্ৰফল (কালি)**

কাষত থকা বৰ্গটোৰ প্ৰতিটো বাহুৰ মাপ 4 চে মি। এতিয়া বৰ্গটোৰ প্ৰতিটো বাহুক চিত্ৰত দেখুওৱা ধৰণে 4 টা ভাগত ভাগ কৰা। কেইটা ক্ষুদ্ৰ বৰ্গ পোৱা গ'ল? প্ৰতিটো ক্ষুদ্ৰ বৰ্গৰ ক্ষেত্ৰফল = 1 বৰ্গ চে মি। সম্পূৰ্ণ বৰ্গটোত মুঠতে 16 টা ক্ষুদ্ৰ বৰ্গ আছে।
বৰ্গটো ক্ষেত্ৰফল হ'ব = 16 বৰ্গ চে মি = 4 × 4 বৰ্গ চে মি। এনেদৰে আমি দেখুৱাব পাৰো যে বৰ্গৰ কালি উলিয়াবলৈ হ'লে বৰ্গটোৰ বাহুৰ দৈৰ্ঘ্যৰ মান দুটা পূৰণ কৰিলেই পাম। দৈৰ্ঘ্যৰ একক চে মি হ'লে আমি কালিৰ একক বৰ্গ চে মি বুলি লিখিম।






অৰ্থাৎ **বৰ্গৰ কালি = বাহু × বাহু**





**অভ্যাসন সময়**





ইয়াৰ কালি 1 বৰ্গ চে মি


★ ওপৰৰ চিত্ৰসমূহ চোৱাচোন। তলৰ তালিকাখন পূৰ কৰোঁ আহা

| চিত্ৰ | বৰ্গ টুকুৰাটোৰে জুখি | | দীঘ আৰু প্ৰস্থৰ জোখলৈ | | |
|---|---|---|---|---|---|
| | বৰ্গ ঘৰৰ সংখ্যা | কালি | দীঘ (চে মি) | প্ৰস্থ (চে মি) | কালি (বৰ্গ চেমিত) |
| চিত্ৰ A | | | | | |
| চিত্ৰ B | | | | | |
| চিত্ৰ C | | | | | |
| চিত্ৰ D | | | | | |

**★ বৰ্গাকৃতি, আয়তাকৃতিৰ বাহিৰে আন আকৃতিৰ ক্ষেত্ৰফল উলিয়াওঁ আহা**


তলৰ চিত্ৰবোৰ মন কৰা আৰু প্ৰশ্নৰ উত্তৰবোৰ দিয়া।




- চিত্ৰ I ৰ কালি- ______ বৰ্গ চে মি
- চিত্ৰ II ৰ কালি- ______ বৰ্গ চে মি
- চিত্ৰ III ৰ কালি- ______ বৰ্গ চে মি
- কোনটো চিত্ৰৰ কালি বেছি? ______

**☞ কালিৰ বিভিন্ন এককবোৰৰ লগত চিনাকি হওঁ আহা**




সাধাৰণতে ঘৰৰ মজিয়া, বেৰ, চোতাল, বাগিচা ইত্যাদিৰ কালি উলিয়াবলৈ আমি বৰ্গমিটাৰ ব্যৱহাৰ কৰোঁ। আৰু অধিক ডাঙৰ অঞ্চল, যেনে— পথাৰ, বনাঞ্চল ইত্যাদিৰ কালি উলিয়াবলৈ আমি বৰ্গ কিলোমিটাৰ ব্যৱহাৰ কৰোঁ। সৰু ঠাইৰ কালি উলিয়াবলৈ আমি সাধাৰণতে বৰ্গ চেণ্টিমিটাৰ ব্যৱহাৰ কৰোঁ। যেনে এখন বহীৰ পাত, কাৰ্ড, ম'বাইল স্ক্ৰীন, টিভিৰ স্ক্ৰীন ইত্যাদি।







তলৰ প্ৰতিটো ক্ষেত্ৰত এককবোৰৰ অনুমান কৰা আৰু কোনটো একক কাৰ হ'ব পাৰে '☑' চিন দিয়া।


| ক্ষেত্ৰফল | বৰ্গ চে মি | বৰ্গ মি | বৰ্গ কি মি |
|---|---|---|---|
| ক) ৰুমাল এখনৰ কালি | ✔ | | |
| খ) অসমৰ মাটিকালি | | | |
| গ) পথাৰ এখনৰ কালি | | | |
| ঘ) লুডু এখনৰ কালি | | | |
| ঙ) ঘৰৰ মজিয়া এখনৰ কালি | | | |
| চ) ফুলনি এখনৰ কালি | | | |
| ছ) কাজিৰঙা অভয়াৰণ্যৰ কালি | | | |
| জ) ব্লেকব'ৰ্ডৰ কালি | | | |

**☞ তলৰ চিত্ৰসমূহৰ কালি নিৰ্ণয় কৰোঁ আহা**







কালি =





কালি =

☛ দলত বহি তলৰ চিত্ৰসমূহৰ (ৰং কৰা) অংশৰ কালি নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা




ৰং কৰা অঞ্চলৰ কালি




ৰং কৰা অঞ্চলৰ কালি

**সমস্যা সমাধান কৰোঁ আহা**

☛ জিতেনৰ দেউতাকে তেওঁৰ শোৱনি কোঠাটোৰ মজিয়াখনত টালি লগাবলৈ বিচাৰিলে। কোঠাটোৰ দীঘ 14 ফুট আৰু প্ৰস্থ 12 ফুট। যদি বজাৰৰ পৰা অনা টালিৰ দীঘ 2 ফুট আৰু প্ৰস্থ 2 ফুট হয় তেন্তে প্ৰতিখন টালিৰ কালি কিমান হ'ব? মজিয়াখনত কিমানখন টালিৰ আৱশ্যক হ'ব?

**জানি লোৱা**— ফুট হ'ল দীঘৰ এটা একক। আজিকালি ইয়াৰ ব্যৱহাৰ কমি গৈছে।

☛ এখিলা ডাঠ কাগজৰ দীঘ 12 চে মি আৰু প্ৰস্থ 8 চে মি। ডাঠ কাগজখনত 4 বৰ্গ চে মি কালিৰ জোখৰ কিমানখন ডাক টিকট আঠা লগাব পৰা যাব?





**কাৰ্য :** তোমালোকৰ শ্ৰেণী কোঠাটোৰ মজিয়াখনৰ দীঘ আৰু প্ৰস্থ মিটাৰত জোখা। কি পালা লিখা।

দীঘ = ☐ মিটাৰ, প্ৰস্থ = ☐ মিটাৰ,


শ্ৰেণী কোঠাটোৰ মজিয়াখনৰ কালি নিৰ্ণয় কৰা।

**কাৰ্য :** 100 বৰ্গ চে মি কালি হ'বলৈ কি কি জোখৰ আয়তাকাৰ কাগজ কাটিব পাৰিবা ভাবি লিখা। আৰু আয়তবোৰ কাগজ কাটি সাজা (জোখবোৰ বিভিন্ন ধৰণৰ হ'ব পাৰে)।

100 বৰ্গ চেন্টিমিটাৰ বৰ্গাকৃতি কাগজ এখনত 5 চে মি আৰু 2 চে মি জোখৰ আয়তৰ কেইটা টুকুৰা আঠা লগাব পাৰিবা কৰি চোৱা।

**ফুলনি বাগিচাৰ বেৰৰ জোখ**


প্ৰধান শিক্ষকে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ ফুলনি বাগিচাখনলৈ মাতি নিলে। ৰচী এডাল হাতত দি বাগিচাখনৰ চাৰিবেৰৰ জোখ ল'বলৈ ক'লে। বাগিচাখনৰ এটা মূৰৰ পৰা আৰম্ভ কৰি চাৰিওফালৰ বেৰকেইখনৰ জোখ ল'লে। প্ৰধান শিক্ষকে ক'লে এই জোখেই বাগিচাখনৰ পৰিসীমা।





A ৰ পৰা আৰম্ভ কৰি চাৰিওফালে ঘূৰি পুনৰ A লৈকে মুঠ দৈৰ্ঘ্য হ'ব
= 20 মি +30 মি + 20 মি + 30 মি= 100 মিটাৰ

**চাৰি সীমাৰ মুঠ জোখকে পৰিসীমা বোলে।**

**তলৰ আকৃতিবোৰৰ পৰিসীমা উলিওৱা**




**পৰিসীমা =**





**পৰিসীমা =**

**পৰিসীমা কেনেকৈ উলিয়ালা আলোচনা কৰা।**





**কাৰ্য ঃ তলৰ চিত্ৰ দুটাৰ পৰিসীমা উলিওৱাবলৈ চেষ্টা কৰা। (দুজনীয়া দল হৈ কৰা)**




**কি দৰে কৰিবা ?**

এডাল সূতা লোৱা। সূতাডালৰ এটা মূৰ যিকোনো এটা বিন্দুত লগোৱা আৰু লাহে লাহে সূতাডাল চিত্ৰৰ পৰিসীমাৰ ওপৰত বহুৱাই গৈ থাকা। এনেদৰে বহুৱাই সূতাডাল যেতিয়া আৰম্ভণিৰ বিন্দুটোত পুনৰ আহিব তেতিয়া সূতাডালত এটা দাগ দি কাটি লোৱা। এইবাৰ সূতাডালৰ দীঘটো জোখা। সূতাডালৰ দীঘেই হৈছে চিত্ৰটোৰ পৰিসীমা।


**ত্ৰিভুজৰ পৰিসীমা**

কাষৰ ত্ৰিভুজটোৰ বাহুবোৰৰ জোখ লওঁ আহা

AB = _____ চে মি।

BC = _____ চে মি।


CA = _____ চে মি।




AB + BC + CA = _______ চে মি।

এই জোখটোৱেই হ'ল ABC ত্ৰিভুজটোৰ পৰিসীমা। নহয়নে বাৰু!

☛ তলত ত্ৰিভুজবোৰৰ বাহুৰ জোখ দিয়া আছে ইয়াৰ পৰিসীমা উলিয়াওঁ আহা





পৰিসীমা = ☐ চে মি   পৰিসীমা = ☐ চে মি   পৰিসীমা = ☐ চে মি

সমবাহু ত্ৰিভুজৰ পৰিসীমা

AB = 4 চে মি।

BC = 4 চে মি।

CA = 4 চে মি।




ABC সমবাহু ত্ৰিভুজৰ পৰিসীমা = 4 চে মি + 4 চে মি + 4 চে মি
= 12 চে মি
= 3 × 4 চে মি
= 3 × এটা বাহুৰ দীঘ

**সমবাহু ত্ৰিভুজৰ পৰিসীমা = 3 × এটা বাহুৰ দীঘ**


☛ **তলৰ তালিকাখনৰ খালী ঠাই পূৰ কৰোঁ আহা**


| সমবাহু ত্ৰিভুজৰ এটা বাহুৰ দীঘ (চে মি) | পৰিসীমা (চে মি) |
|---|---|
| 5 | ☐ |
| ☐ | 30 |
| 7 | ☐ |
| ☐ | 24 |
| 3 | ☐ |






☛ তলৰ চতুৰ্ভুজকেইটাৰ পৰিসীমা উলিয়াওঁ আহা





চিত্ৰ I ৰ পৰিসীমা = ________ চে মি

চিত্ৰ II ৰ পৰিসীমা = ________ চে মি




চিত্ৰ III ৰ পৰিসীমা = ________ চে মি

**আয়তৰ পৰিসীমা চাওঁ আহা**




আয়তটোৰ পৰিসীমা = 5 চে মি + 3 চে মি + 5 চে মি + 3 চে মি = 16 চে মি

আয়তটোৰ পৰিসীমা উলিয়াবলৈ তোমালোকে কি সহজ উপায় ল'ব পাৰা চিন্তা কৰাচোন।

আয়তৰ পৰিসীমা = দীঘ + প্ৰস্থ + দীঘ + প্ৰস্থ
= 2 × (দীঘ + প্ৰস্থ), নহয় নে বাৰু?

**আয়তৰ পৰিসীমা = 2 × (দীঘ + প্ৰস্থ)**


☛ সূত্ৰ ব্যৱহাৰ কৰি আয়তবোৰৰ পৰিসীমা উলিয়াওঁ আহা

| | |
|---|---|
| (a) দীঘ = 8 চে মি, প্ৰস্থ = 6 চে মি | পৰিসীমা = |
| (b) দীঘ = 50 চেমি, প্ৰস্থ = 42 চে মি | পৰিসীমা = |
| (c) দীঘ = 90 চেমি, প্ৰস্থ = 40 চে মি | পৰিসীমা = |
| (d) দীঘ = 15 চেমি, প্ৰস্থ = 8 চে মি | পৰিসীমা = |
| (e) দীঘ = 20 চেমি, প্ৰস্থ = 8 চে মি | পৰিসীমা = |

**সমাধান কৰা**

1) আয়তাকৃতিৰ বাগিচা এখনৰ দীঘ 10 মি আৰু প্ৰস্থ 8 মি। বাগিচাখনৰ পৰিসীমা কিমান?
2) এটা আয়তৰ পৰিসীমা 40 চেমি আৰু দীঘ 15 চে মি হ'লে প্ৰস্থ কিমান হ'ব?
3) আয়তাকৃতিৰ খেলপথাৰ এখনৰ দীঘ 120 মি আৰু প্ৰস্থ 80 মি। পথাৰখনৰ পৰিসীমা উলিওৱা।
4) এখন আয়তাকৃতি মজিয়াৰ পৰিসীমা 16 মি। মজিয়াখনৰ প্ৰস্থ 3 মি হ'লে দীঘ কিমান?
5) 20 চেমি দৈৰ্ঘ্যৰ তাঁৰ এডালেৰে এটা আয়ত সজা হ'ল। আয়তটোৰ দীঘ 6 চে মি হ'লে আয়তটোৰ প্ৰস্থ নিৰ্ণয় কৰা।

**বৰ্গৰ পৰিসীমা**




কাষৰ চিত্ৰটো মন কৰা। ABCD এটা বৰ্গ। ইয়াৰ প্ৰতিটো বাহুৰ দীঘ সমান। ধৰিলোৱা প্ৰতিটো বাহুৰ দীঘ 6 চে মি। বৰ্গটোৰ পৰিসীমা কিমান হ'ব চাওঁ আহা-
AB, BC, CD আৰু DA বাহুৰ দীঘবোৰ যোগ কৰিলেই বৰ্গটোৰ পৰিসীমা পাবা।

অৰ্থাৎ বৰ্গৰ পৰিসীমা = 6 চে মি + 6 চে মি + 6 চে মি + 6 চে মি
= 4 × 6 চে মি
= 4 × এটা বাহুৰ দীঘ

**বৰ্গৰ পৰিসীমা = 4 × এটা বাহুৰ দীঘ**

সেইদৰে,

**বৰ্গৰ এটা বাহুৰ দীঘ = পৰিসীমা ÷ 4**






☛ **বৰ্গৰ পৰিসীমা উলিয়াবলৈ চেষ্টা কৰা, যদি**

(a) বাহুৰ জোখ = 3 চে মি (b) বাহুৰ জোখ = 7 চে মি
(c) বাহুৰ জোখ = 6 চে মি (d) বাহুৰ জোখ = 5 চে মি

⇨ বৰ্গাকৃতি বাগিচা এখনৰ পৰিসীমা 120 মিটাৰ। বাগিচাখনৰ এটা ফালৰ দীঘ কিমান হ'ব?

⇨ বৰ্গাকৃতিৰ খেলপথাৰ এখনৰ চাৰিওফালৰ সীমাৰ জোখ 400 মি। খেলপথাৰখনৰ এট সীমাৰ জোখ উলিওৱা।


**কাৰ্য ঃ** ছাত্ৰ-ছাত্ৰীসকল তিনিটা দলত ভাগ হৈ লোৱা। A, B আৰু C দলেৰে নামকৰণ কৰা। প্ৰতিটো দলে ডাঠ কাগজত 5 চে মি বাহুৰ 12 টাকৈ বৰ্গাকৃতিৰ টুকুৰা কাটি উলিওৱা।
A দলে বৰ্গাকাৰ টুকুৰাকেইটা চিত্ৰত দেখুওৱাৰ দৰে এটাৰ পিছত এটাকৈ একেটা শাৰীতে সজাই যোৱা।



A দলৰ নক্সা

A দলে সজোৱা নক্সাটোৰ কালি আৰু পৰিসীমা লিখা।
পৰিসীমা ☐ কালি ☐

দ্বিতীয় দল Bএ 12 টা বৰ্গাকাৰ টুকুৰা প্ৰথম শাৰীত 6 টা আৰু দ্বিতীয় শাৰীত 6 টা চিত্ৰত দেখুওৱাৰ দৰে সজোৱা।



B দলৰ নক্সা

B দলে এইবাৰ নক্সাটোৰ পৰিসীমা আৰু কালি উলিওৱা।
পৰিসীমা ☐ কালি ☐

আকৌ তৃতীয় দল Cএ 12 টা বৰ্গাকাৰ টুকুৰা প্ৰতিটো শাৰীত 4 টাকৈ মুঠ 3 টা শাৰীত সজোৱা আৰু নক্সাটোৰ কালি আৰু পৰিসীমা উলিওৱা।




C দলৰ নক্সা

পৰিসীমা ☐ কালি ☐


— প্ৰতিটো দলৰ কালিৰ মান একে হ'লনে?
— আকৌ প্ৰতিটো দলেই উলিওৱা পৰিসীমাৰ মান ভিন ভিন পালা নেকি?
— পৰিসীমাৰ মান কিয় ভিন ভিন পালা দলত আলোচনা কৰা।

**কাৰ্য**


60 চেণ্টি মিটাৰ দীঘল মিহি তাঁৰ এডাল লোৱা। তাঁৰ ডালেৰে বিভিন্ন জোখৰ আয়ত বনাবলৈ চেষ্টা কৰা। প্ৰতিটো আয়তৰ পৰিসীমা আৰু কালি উলিওৱা। প্ৰতিটো ক্ষেত্ৰতে পৰিসীমা একেই পাবানে? ইয়াৰ কালিৰ মানৰ কিবা পৰিৱৰ্তন হ'ল নেকি? চিন্তা কৰি চোৱা।
(তলত কেইটামান জোখ দিয়া আছে)

10 চে মি

20 চে মি

পৰিসীমা = ...... চে মি
কালি = ...... বৰ্গ চে মি

8 চে মি

22 চে মি

পৰিসীমা = চে মি
কালি = বৰ্গ চে মি

6 চে মি

24 চে মি

পৰিসীমা = চে মি
কালি = বৰ্গ চে মি






**কাৰ্য**

4 চে মি জোখৰ এটা বৰ্গ আঁকা। ইয়াৰ ওপৰত 'ক' লিখা। ইয়াৰ তিনিগুণ বাহুৰ আন এটা বৰ্গ আঁকা। ইয়াৰ ওপৰত 'খ' লিখা।

- 'ক' লিখা বৰ্গটোৰ পৰিসীমা কিমান হ'ব?
- 'খ' লিখা বৰ্গটোৰ পৰিসীমা কিমান হ'ব?
- 'খ' লিখা বৰ্গটোৰ কালি কিমান হ'ব?
- 'ক' লিখা থকা বৰ্গতকৈ 'খ' লিখা থকা বৰ্গটোৰ কালি কিমান গুণ বেছি?
- বৰ্গ দুটাৰ পৰিসীমাৰ পাৰ্থক্য উলিওৱা।
- বৰ্গ দুটাৰ কালিৰ পাৰ্থক্য উলিওৱা।

**অৰ্ণবৰ সমস্যা সমাধান কৰোঁ আহা**

অৰ্ণবৰ দেউতাকে ঘৰৰ কাষতে থকা মাটি ডৰাত ৰবি শস্যৰ খেতি কৰিবলৈ সিদ্ধান্ত ল'লে। মাটিডৰা তলত দিয়া ধৰণে ভাগ কৰিলে—




- অৰ্ণবৰ দেউতাকে খেতি কৰিবলৈ লোৱা মাটিডৰাৰ কালি কিমান?
- মাটিডৰাত বেৰ দিবলৈ কিমান দৈৰ্ঘ্যৰ বেৰ লাগিব?
- 1 মিটাৰ বেৰ দিওঁতে যদি 40 টকা খৰচ হয়, মাটিডৰাৰ চাৰিওফালে বেৰ দিওঁতে মুঠ কিমান টকা খৰচ হ'ব?
- আলু খেতি কৰা মাটিডৰাৰ কালি কিমান?
- বেঙেনাৰ খেতি কৰা মাটিডৰাৰ পৰিসীমা নিৰ্ণয় কৰা।
- আটাইতকৈ কম ঠাইত কি শস্যৰ খেতি কৰা হৈছিল?

◆ ◆ ◆